**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-02-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অসম মন্ত্ৰীসভাৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত অসম পৌৰনিগম কৰ্মচাৰীৰ প্ৰাদেশিকীকৰণ বিধেয়ক ২০২৫ত অনুমোদন জনায়। এই বিধেয়কৰ জৰিয়তে ৰাজ্যৰ ৭১ খন পৌৰ নিকায়ৰ এহেজাৰ ৪৬ গৰাকী কৰ্মচাৰীৰ চাকৰি প্ৰাদেশিকীকৰণ কৰিবলৈ বিচৰা হৈছে। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই বিষয়ে সদৰি কৰে। আজিৰ বৈঠকে অসমৰ বিভিন্ন শ্ৰেণীৰ বিদ্যালয়ত কৰ্মৰত অসমীয়া বিভাগৰ শিক্ষকসকলৰ চাকৰিৰ নিয়মাৱলী একেধৰণৰ কৰাৰ বাবেও সিদ্ধান্ত লয়। আজিৰ বৈঠকে অসমত মূল্য সংযোজিত কৰ গাঁথনিক অধিক শৃংখলিত কৰাৰ বাবেও সিদ্ধান্ত লয়।

0000000

অসম আৰক্ষীৰ সতৰ্কতা আৰু দুৰ্নীতি নিবাৰক বিভাগে আজি যোৰহাট কেন্দ্ৰীয় উন্নয়ন খণ্ডৰ চিপাহী খোলা কাৰ্যালয়ৰ সহকাৰী অভিযন্তা শিৱপ্ৰসাদ শইকীয়াক উৎকোচ লোৱাৰ অভিযোগত হাতে-লোটে ধৰা পেলায়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি মহাত্মা গান্ধী এনৰেগা আঁচনিৰ বিলৰ ধন মুকলি কৰি দিয়াৰ বিনিময়ত সহকাৰী অভিযন্তা শিৱ প্ৰসাদ শইকীয়াই এজন ঠিকাদাৰৰ পৰা ১৫ হাজাৰ টকাৰ উৎকোচ বিচাৰে। সংশ্লিষ্ট ঠিকাদাৰজনে এই উৎকোচ নিদিয়াকৈ দুৰ্নীতি নিবাৰক শাখাৰ ওচৰ চাপে। সেই অনুসৰি আজি দুৰ্নীতি নিবাৰক শাখাৰ বিষয়াৰ এটা দলে যোৰহাট কেন্দ্ৰীয় উন্নয়ন খণ্ডৰ চিপাহী খোলা কাৰ্যালয়ত উপস্থিত হৈ পূৰ্ব পৰিকল্পনা মতে উৎকোচৰ ধন লৈ থকা অৱস্থাত এই দুৰ্নীতিগ্ৰস্ত বিষয়াজনক হাতে লোটে ধৰা পেলায় আৰু উৎকোচৰ সমস্ত ধন তেওঁৰ ওচৰৰ পৰা উদ্ধাৰ কৰে। এই সংক্ৰান্তত দুৰ্নীতি নিবাৰক আৰক্ষী থানাত ১৯৮৮ চনৰ দুৰ্নীতি প্ৰতিৰোধ আইনৰ ৭ (ক) ধাৰাৰ অধীনত এটা গোচৰ ৰুজু কৰা হৈছে আৰু বিষয়াজনৰ বিৰুদ্ধে অধিক অনুসন্ধান চলাই থকা হৈছে বুলি আৰক্ষী বিভাগৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে।

0000000

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আজিৰেপৰা চৰিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় আন্তঃৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱ অনুষ্ঠিত হৈছে। গুৱাহাটীৰ কলা-সংস্কৃতি আৰু সাহিত্য বিষয়ক স্বেচ্ছাসেৱী অনুষ্ঠান ফ'কেলৰ উদ্যোগত আৰু বিশ্ববিদ্যালয়খনৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। ভাৰতৰ লগতে বিশ্বৰ ২৫ খন দেশৰ লেখক-সাহিত্যিকে এই মহোৎসৱত অংশ লৈছে। ইটালী, ইংলেণ্ড, পৰ্টুগাল, ইউক্ৰেইন, স্পেইনকে ধৰি বিভিন্ন দেশৰ লেখক-সাহিত্যিকৰ লগতে ভাৰতৰ ভালেসংখ্যক খ্যাতনামা সাহিত্যিকে অনুষ্ঠানত ভাগ ল'ব। অনুৰাধা শৰ্মা পূজাৰী, অৰূপা পটংগীয়া কলিতা, বিপুল দেউৰী, কৰবী ডেকা হাজৰিকাৰ উপৰি ৰাজ্যৰ নতুন প্ৰজন্মৰ কেইবাগৰাকীও লেখকে এই অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ কথা।

0000000

যোৰহাটত কাইলৈৰ পৰা হ'বলগীয়া শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। যোৰহাট জিলাৰ ম'হবন্ধাৰ এৰালতলী পথাৰত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই

অধিৱেশনলৈ ভকত-বৈষ্ণৱসকলক আদৰাৰ বাবে আদৰণি সমিতিয়ে সকলো ব্যৱস্থা সম্পূৰ্ণ কৰি তুলিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শক সাৱোগত কৰি যোৰহাট জিলা শাখাৰ আতিথ্যত বিভিন্ন দল-সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগিতাত আয়োজন কৰা এই অধিৱেশনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱসকলে অংশগ্ৰহণ কৰিব। কালি ম'হবন্ধাৰ এৰালতলী পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰৰ নামঘৰত ধৰ্মধবজা প্ৰতিষ্ঠা কৰা হয়। ৮ ফেব্ৰুৱাৰীৰ পুৱা সংঘৰ নৱনিৰ্বাচিত পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই পতাকা উত্তোলন কৰিব। এই পতাকা উত্তোলনস্থলীত কাছ আকৃতিৰ বেদী নিৰ্মাণ কৰা হৈছে। বেদীটোৰ চৌপাশত প্ৰতীকিভাৱে ৫৪ খন পতাকা উত্তোলন কৰা হ'ব। তদুপৰি ৯৪ সংখ্যক অধিৱেশনৰ সৈতে সংগতি ৰাখি ৯৪টা খোল আৰু ৯৪ যোৰ তাল লৈ গায়ন-বায়নসকলে মাংগলিক ধবনি কৰিব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ভাগৱত শোভাযাত্ৰা আৰু ধৰ্মালোচনা সভাৰ লগতে সত্ৰীয়া সংস্কৃতিৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০০

কাজিৰঙাত ষষ্ঠবাৰৰ বাবে জলচৰ আৰু পৰিভ্ৰমী পক্ষী গণনা সফলতাৰে সম্পন্ন হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্পৰ অন্তৰ্গত অঞ্চলৰ পূব অসম বন্যপ্ৰাণী বন সংমণ্ডল, নগাঁও বন্যপ্ৰাণী সংমণ্ডল, বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডল আৰু চাপৰি এলেকাক সাঙুৰি এই গণনা কৰা হৈছে। সদ্যসমাপ্ত পক্ষী গণনাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বৃহত্তৰ অঞ্চলটোত ১২৬টা প্ৰজাতিৰ ১ লাখ ১২ হাজাৰ ৬২টা পক্ষীৰ অৱস্থিতি ধৰা পৰিছে। ২০২৩-২৪ বৰ্ষৰ তুলনাত পক্ষীৰ মুঠ সংখ্যা আছিল ৮৮ হাজাৰ ৭১০টা। এইবাৰৰ পক্ষী গণনাত ৰাষ্ট্ৰীয় উদ্যানখনত নতুনকৈ কেইবাবিধো পক্ষীৰ অৱস্থিতি ধৰা পৰিছে।

০০০০০০০

ৰাজ্যৰ ১০ খন জিলাৰ ১২ হাজাৰ ৩৭৫ খন বিদ্যালয়ক সামৰি কালিৰেপৰা গুণোৎসৱৰ তৃতীয় পৰ্যায়ৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে।   গোৱালপাৰা জিলাৰ বালিজানা, মাটিয়া, দুধনৈ আৰু লক্ষীপুৰ – এই চাৰিটা শিক্ষাখণ্ডৰ এহেজাৰ ৫৭৪ খন বিদ্যালয়ত গুণোৎসৱ অনুষ্ঠিত হৈছে। জিলাখনৰ বিভিন্ন চৰকাৰী বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীৰ ১ লাখ ৬৩ হাজাৰ ৮০০ ৰো অধিক ছাত্ৰ-ছাত্ৰীক গুণোৎসৱৰ জৰিয়তে মূল্যায়ন কৰা হ'ব। জিলাখনত ৬৭৬ গৰাকী বিষয়াক বহিঃমূল্যায়ক হিচাপে নিয়োগ কৰা হৈছে। আজি জিলাখনৰ ৫৩৬ খন বিদ্যালয়ত বহিঃমূল্যায়ন সম্পন্ন হয়। একেদৰে মৰিগাঁও জিলাতো আজি গুণোৎসৱৰ বহিঃমূল্যায়ন কৰা হয়। জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাই কেইবাখনো বিদ্যালয় পৰিদৰ্শন কৰি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে মত বিনিময় কৰে। তেওঁ বিদ্যালয়সমূহৰ পাঠদান পদ্ধতি, পৰীক্ষা ব্যৱস্থা আৰু শিক্ষকৰ বিভিন্ন সমস্যাৰ বিষয়ে তথ্য সংগ্ৰহ কৰে। উল্লেখযোগ্য যে কালি প্ৰথমদিনা ৯ লাখ ৮১ হাজাৰ ৫৬৫ গৰাকী শিক্ষাৰ্থীৰ স্ব-মূল্যায়ন কৰা হৈছিল। এই পৰ্যায়ত ডিব্ৰুগড়, বিশ্বনাথ, দৰং, মৰিগাঁও, বঙাইগাঁও, কাছাৰ, ডিমা হাচাও, গোৱালপাৰা, মাজুলী আৰু নলবাৰী জিলাত পৰহিলৈ পৰ্যন্ত তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত মুঠ ৪ হাজাৰ ৯৬৭ গৰাকী বহিঃমূল্যায়কে ১১ লাখ ৩৮ হাজাৰ ২৭৫ গৰাকী শিক্ষাৰ্থীৰ বহিঃমূল্যায়ন কৰিব।

০০০০০০০

**সমাপ্ত**